

# তেখেত আমাৰ কৃষ্ণ

হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ
আহমদ দ্বিতীয় খলিফা

# তেখেত আমাৰ কৃষ্ণ

লিখক ঃ
হজৰত মির্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব খলিফাতুল মছীহ
ছানি (ৰাঃ)

নাম কিতাপ ঃ তেখেত আমাৰ কৃষ্ণ

অনুবাদক ঃ মজিবৰ ৰহমান ইনচাৰ্জ অসমীয়া ডেস্ক

প্ৰথম প্ৰকাশ ঃ ২০২০, ৫০০ কপি

প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

মুদ্ৰণে ঃ ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ, কাদিয়ান
জিলা গুৰদাছপুৰ,পঞ্জাৱ ১৪৩৫১৬

**Name Book : Tekhet Amar Krishno**

**Original Book : Wahi Hamara Kirshan**

**Translated by : Mozibar Rahman Murabbi silsila**
**( Incharge Assamese Desk)**

**First Published : 2020, (500 Copies)**

**Published by : Nazarat Nashr-O-Ishaat Qadian**

**Printed at : Fazle Umar Printing Press, Qadian**
**Dist. Gurdaspur, Pin 143516**
**Punjab**

# প্ৰকাশকৰ কথা

সকলো স্ৰোত স্ৰোতস্বিনী যেনেকুৰা সাগৰত মিলি যায় তেনেকুৰাই সকলো ৰিছালতৰ গন্তব্য স্থল হজৰত মহম্মদ (ছাঃ)। তেখেত(ছাঃ)ৰ প্ৰতিশ্ৰুত এক মহাপুৰুষ সকলো ধৰ্মৰ সংস্কাৰৰ বাবে কোৰাণৰ অধীন কল্কি অৱতাৰ ৰূপে কলি যুগত (আখিৰী যুগত) আগমন কৰিছে। তেখেতৰ পৱিত্ৰ নাম হজৰত মিৰ্যা গোলাম আহমদ কাদিয়ানী (আঃ)। তেখেত (আঃ)য়ে কৈছে : মই কেতিয়াবা আদম,কেতিয়াবা ইয়াকুব, ইব্ৰাহিম,মোৰ বংশধৰ অসংখ্য।

হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)য়ে এই পুস্তকখনত হিন্দু ভাই-ভনী সকলৰ উদ্দেশ্যে অত্যন্ত আবেগিক ভাষাত যুগৰ ইমামক চিনাক্ত কৰাৰ বাবে আহ্বান জনাইছে। মাননীয় মজিবৰ ৰহমান চাহাব মুবাল্লিগ ছিলছিলা (ইনচাৰ্জ অসমীয়া ডেস্কে) পুস্তকখন হিন্দীৰ পৰা অসমীয়া ভাষাত অনুবাদ কৰিছে; আৰু পুস্তকখনৰ ৰিভিউ কৰিছে মাননীয় শ্বাহজাহান আলি চাহাব মুৱাল্লিম ছিলছিলা,মাননীয় আমান আলী চাহাব মুবাল্লিগ ছিলছিলা, মাননীয় নাজিমুদ্দিন মোল্লা চাহাব মুবাল্লিগ ছিলছিলা। এই পুস্তকখন প্ৰস্তুত কৰি উলিওৱাতে সহায়-সহযোগীতা আগবঢ়োৱা সকলক আল্লাহ তায়লা উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক। আমিন-

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

اَعُوْذُبِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ نَحْمَدُهٗ وَنُصَلِّيْ عَلٰى رَسُوْلِهِ الْكَرِيْمِ

**খোদাৰ ফজল আৰু কৃপাৰ সৈতে**

هُوَالنَّاصِرُ

# তেখেত আমাৰ কৃষ্ণ

হে প্ৰিয় হিন্দু ভাইসকল ! আমি হিন্দু মুছলমান একেখন দেশতে বসবাস কৰো। সাধাৰণতে একেই ভাষাত আমি আমাৰ মনোভাব ব্যক্ত কৰো। পৰমেশ্বৰৰ সৃষ্টি সূৰ্যই আমাক সমভাবে পোহৰ প্ৰদান কৰে। তাৰ মনোহৰ চন্দ্ৰ জাতি-ধৰ্ম নিৰ্বিশেষে সকলোকে সমান পৰিমাণে জেউতি দান কৰে। ৰাতিৰ অন্ধকাৰ যেতিয়া পৃথিৱীক আচ্ছন্ন কৰে আৰু ক্লান্ত শৰীৰে যেতিয়া আমি নিদ্ৰায় অচেতন অৱস্থাত শয্যাত শুই থাকো তেতিয়া তাৰ দূত্ সকলে প্ৰেমৰ ডেউকা মেলি দিয়ে আমাক সকলো আপদ-বিপদৰ পৰা ৰক্ষা কৰে,হিন্দু মুছলমানৰ মাজত কোনো ভেদাভেদ নকৰে। সূৰ্যৰ প্ৰখৰ ৰ'দৰ উত্তাপত হিমালয়ৰ উচ্চতাত থকা বৰফবোৰ যেতিয়া গলি পানীত পৰিণত হয় তেতিয়া নদ-নদী বিলাকক পানীৰে ভৰি পৰে আৰু গঙ্গা আৰু যমুনাৰ শুকান পিয়াতুৰ ভূমি পানীৰে প্লাবিত কৰে। তেতিয়া সেইবোৰে কেতিয়াও এয়া নেদেখে যে কোনে মুছলমান হয় আৰু কোনে হিন্দু হয়,যি অগ্নি যাৱতীয় আৱৰ্জনা ভস্মীভূত কৰে, মানুহৰ প্ৰয়োজনীয় খাদ্যৰ বন্দবস্ত কৰে আৰু তাৰ দ্বাৰা মানুহক শান্তি প্ৰদান কৰে,সেই অগ্নি হিন্দুসকলৰ নিৰামিষ আৰু মুলমান সকলৰ আমিষ ৰন্ধা সময়ত ইয়াৰ মাজত্য কোনো পাৰ্থক্য নকৰে। ঠিক তেনেকুৱাই ঈশ্বৰৰ দান আৰু কৃপা আমাৰ মাজত কোনো প্ৰভেদ নকৰে। আমি কিয় তাৰ ভক্তি আৰু প্ৰেম প্ৰদৰ্শনত তাৰতম্য কৰো ? বৈপিতৃ-মাতৃ আৰু নিজস্ব পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ ভক্তি আৰু ভালপোৱাৰ তাৰতম্য থাকিব পাৰে; কিন্তু নিজস্ব

পিতৃ-মাতৃৰ প্ৰতি সন্তানৰ ভক্তি আৰু ভালপোৱাৰ তাৰতম্য থাকিব নোৱাৰে,সিহঁতে পৰস্পৰে কাজিয়া-বিবাদ কৰিব পাৰে কিন্তু নিজৰ পিতৃ-মাতৃৰ প্ৰতি ভালপোৱা প্ৰদানৰ ক্ষেত্ৰত সিহঁতে এজনে অইন জনতকৈ অগ্ৰগতি লাভ কৰাৰ চেষ্টা কৰে।

তেন্তে আমাৰ কিয় এনে দুৰাৱস্থা হ'ল যে আমাৰ পাৰস্পৰিক দ্বন্দৰ কাৰণে পৰম কৰুণাময় পৰমেশ্বৰকোও পাহৰি গৈছোঁ ? আমি কেতিয়াও চিন্তা-ভাৱনা নকৰো যে আমি পাপ কৰি থকা দৃষ্টি গোচৰ হৈয়ো সেইজনাই আমাৰ মাজত কোনো পাৰ্থক্য কৰা নাই,তেন্তে আমি সেইজনাৰ অগণিত দান দেখিও আমি সেইজনাক কিয় পৃথক কৰিম ? কাজিয়া-বিবাদত লিপ্ত নিৰ্বোধ শিশু সকলেও নিজৰ মাতৃৰ আহ্বান শ্ৰৱণ কৰি পৰস্পৰে দ্বন্দ্ব-বিবাদ ত্যাগ কৰি তাৰ মাতৃৰ ফালে দৌৰ মাৰে। বেলেগৰ স্বাধীন আহ্বান থকা সত্বেও পাৰ চৰাই নিজৰ স্বাধীনতা বিসৰ্জন দি তাৰ বাহ্ত সংকীৰ্ণ অন্ধকাৰ কোঠাত প্ৰৱেশ কৰে; কাৰণ খাদ্যৰ যোগান ধৰোতাৰ আহ্বানৰ কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। তেন্তে হে প্ৰিয় হিন্দু ভাইসকল ! আপোনালোকে কিয় পৰমেশ্বৰৰ আহ্বানক কৰ্ণপাত নকৰে যাৰ দ্বাৰা সেইজনা গোটেই বিশ্বৰ চাৰিওফালে একত্ৰিত কৰাৰ বাবে উৰ্দ্ধত কৰিছে। সেয়া কি এই কাৰণেই যে এই ঘোষণা এজন মুছলমানৰ মুখৰ পৰা ঘোষিত কৰা হৈছে ? আপোনালোকে পাহৰি গৈছেনে যে পৰমেশ্বৰ কোনো বিষয়ত সীমাবদ্ধ নহয়। হিন্দু, মুছলমান, খ্ৰীষ্টান ইত্যাদি মানুহৰে দিয়া মাত্ৰ নাম। পৰমেশ্বৰে যেতিয়া কোনোবাক নিৰ্বাচিত কৰে তেতিয়া সেইজনাই তেখেতেক সকলো জাতিৰ বন্ধনৰ পৰা মুক্ত কৰি দিয়ে; তেতিয়া সেইজনা কোনো বিশেষ জাতিৰ সৈতে অন্তৰ্ভুক্ত নাথাকে,বৰং প্ৰত্যেক জাতি সেইজনাৰ আৰু সেইজনা সকলোৰে হৈ যায়।

হে হিন্দু ভাইসকল ! এই যুগৰ অৱতাৰ কোনো বিশেষ জাতিৰ বাবে নহয়। তেখেত প্ৰতিশ্ৰুত মাহদীও হয়, কাৰণ তেখেত মুছলমান সকলৰ মুক্তিৰ বাৰ্তা লৈ প্ৰেৰিত হৈছে, তেখেত ঈছাও হয়,কাৰণ তেখেতে খ্ৰীষ্টানসকলৰ

পথ-প্ৰদৰ্শনৰ বাবে আহিছে, হে হিন্দু ভাইসকল ! তেখেত নিষ্কলঙ্ক অৱতাৰও হয়; কাৰণ তেখেতে পৰমেশ্বৰৰ ফালৰ পৰা তোমালোকৰ বাবে প্ৰেমৰ উপহাৰ লৈ আহিছে।

তোমালোকে প্ৰাচীন ঋষি সকলৰ সন্তান-সন্ততি; তোমালোকৰ পূৰ্বপুৰুষ সকলে প্ৰাচীন সভ্যতাৰ অধিকাৰী আছিল বুলি আমাৰ যে গৰ্ব সেয়া সঙ্গত। তোমালোকে এনে এক দৰ্শন-শাস্ত্ৰ উত্থাপন কৰা যে তোমালোকৰ ইতিহাস ইয়াৰ পূৰ্বৰ কোনো দৰ্শন-শাস্ত্ৰক স্বীকাৰ নকৰে। তোমালোকে এই প্ৰাচীন দেহক সেই প্ৰাচীন পৱিত্ৰ আত্মাৰ পৰা বিচ্ছিন্ন ৰাখিব বিচৰা যি পৰমেশ্বৰৰ ফালৰ পৰা আগমন কৰে আৰু যি সকলোতকৈ পুৰণি আৰু প্ৰাচীনতম ? প্ৰাচীন বস্তুৰ সন্মান তেতিয়ালৈকে থাকে যেতিয়ালৈকে তাত প্ৰাণৰ স্পন্দন থাকে। পিতৃ-মাতৃ যিমানেই বয়জেষ্ঠ নহওঁক কিয় তোমালোকে সিহঁতৰ আৰু বেছি পৰিমাণে শ্ৰদ্ধা কৰি থাকা; কিন্তু যেতিয়া সিহঁতৰ মৃত্যু ঘটে তেতিয়া সিহঁতক চিতাত ভস্মীভূত কৰি দিয়া। অৰ্থাৎ প্ৰাচীন বস্তুৰ মূল্য তেতিয়ালৈকে থাকে যেতিয়ালৈকে তাৰ মাজত প্ৰাণ থাকে। অৰ্থাৎ তুমি নিজৰ পুৰণি তথা সন্মানৰ যোগ্য বস্তুৰ মাজত প্ৰাণ সুমাই দিয়াৰ কিয় প্ৰয়াস নকৰা ?

খোদা তায়লাৰ এয়া নিয়ম যে সেইজনা যেতিয়া কোনোবাক সন্মানিত কৰে সিহঁতৰ প্ৰতি সেইজনা সদায় সম্পৰ্ক স্থাপিত ৰাখে আৰু যদি তেওঁ ঈশ্বৰৰ ফালে পুণ্যবান আত্মাৰ সৈতে ধাবিত হয় তেতিয়া সেইজনা অইন মানুহতকৈ সিহঁতৰ প্ৰতি অধিকতৰ সন্মান প্ৰদান কৰে। অৰ্থাৎ যদি আপোনালোকে প্ৰাচীন সভ্যতা ও প্ৰাচীন দৰ্শন-শাস্ত্ৰৰ উত্তৰাধিকাৰী প্ৰাপ্ত কৰিছে তেন্তে খোদা তায়লাৰ পৰা পৱিত্ৰ আত্মাৰ সৈতে ইয়াক সঞ্জীৱিত কৰক যাতে বৰ্তমান সময় উপযোগী অনুকুলৰূপ ধাৰণ কৰি বিশ্বৰ কাৰণে কল্যাণৰ কাৰণ হ'ব পাৰে।

প্ৰিয় ভাইসকল ! জীৱিত আৰু মৃতৰ মাজত পাৰ্থক্য হ'ল যি জীৱিত

সময় অনুসাৰে উন্নতি কৰি থাকে আৰু যি মৃত সি একে অৱস্থাতেই পৰি থাকে আৰু অৱশেষত গলি-পচি শেষ হৈ যায়। আপোনালোকে কেতিয়াবা চিন্তা কৰিছেনে যে আপোনালোকৰ ভ্ৰূক্ষেপহীনতাৰ কাৰণে মহাকাল আপোনালোকৰ সভ্যতাত আৰু ধৰ্মৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। চিন্তা কৰি চোৱা, একে পৰমেশ্বৰৰ স্থান কিমান দেৱ-দেৱীয়ে অধিকাৰ কৰি লৈছে ? আপোনালোকৰ ধৰ্মগ্ৰন্থবিলাক এবাৰ খুলি চাওঁক ; শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰ চাহাব কেতিয়াবা মূৰ্তিৰ সন্মুখত মূৰ নত কৰিছিল নে ? তেখেত সকলে মূৰ্তিৰ কপালত সিন্দুৰ লগাবলৈ গৈছিল নে ? তেখেতসকলে কেতিয়াবা শ্বিব আৰু পাৰ্বতীৰ সন্মুখত হাত পাতিছিল নে ? পৰমেশ্বৰৰ প্ৰতি এনেকুৱা উদাসীনতা, আৰু বেলেগ বস্তুৰ সন্মুখত নিজৰ মূৰ নত কৰাৰ প্ৰবণতা আপোনালোকৰ সন্মুখত ক'ৰ পৰা আহিলে ? পৰমেশ্বৰৰ প্ৰতি প্ৰেম যি সকলো বস্তুতকৈ প্ৰিয় সেয়া কিয় হ্ৰাস পাইছে ? প্ৰভুৰ আসন কিয় ভৃত্যক দিয়া হৈছে ? ইয়াৰ কোনো কাৰণ থকা উচিত; শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰৰ চাহাবে যিবিলাক কাম কৰা নাই আপোনালোকে সেইবোৰ কাম কিয় কৰিছে ?

পৱিত্ৰ অৱতাৰ সকলে যি পথত চলা নাই আপোনালোকে কিয় সেই পথ অৱলম্বন কৰিছে ? ইয়াৰ কাৰণ কেৱল এয়া যে জীৱনদাতা খোদা তায়লাৰ নিত্য-নতুন বাণীসমূহৰ প্ৰতি আমি কৰ্ণপাত কৰা নাই প্ৰাচীন দেহখন কেৱল খামোচ মাৰি ধৰি আছে কিন্তু আত্মাক তাৰ পৰা যাবলৈ দিছে। গোলাপ ফুল যেতিয়ালৈকে তাৰ বৃক্ষৰ সৈতে সংযুক্ত থাকে তেতিয়ালৈকে কিমান সুগন্ধপূৰ্ণ আৰু সতেজ থাকে কিন্তু সেয়া ছিঙাৰ পিছত অলপ সময়ৰ পিছতে সেইটো শুকাই যায় আৰু সুগন্ধ কেনেকৈ শেষ হৈ যায়; কাৰণ এয়া যে বৃক্ষৰ সৈতে যেতিয়ালৈকে সংযুক্ত আছিল তেতিয়ালৈকে তাৰ সুগন্ধি সঞ্জীৱিত আছিল, যেতিয়াই গছৰ পৰা বিচ্ছিন্ন কৰা হয় তাৰ সুগন্ধি লাহে লাহে আঁতৰ হৈ যায়।

হে ভাইসকল ! দৰ্শন-শাস্ত্ৰ আৰু ধৰ্ম উত্তম বস্তু; কিন্তু ইয়াৰ সৌন্দৰ্যতা তেতিয়ালৈকে থাকে যেতিয়ালৈকে ইয়াৰ সংযোগ আৰু সম্পৰ্ক সেই জীৱনদাতা

বৃক্ষৰ সৈতে থাকে যাক পৰমেশ্বৰ কোৱা হয়। যেতিয়াই সেই ফুলক গছৰ পৰা পৃথক কৰি লোৱা হয়,তেতিয়াই সকলোবিলাক সৌন্দৰ্যতা মাটিৰ সৈতে মিলি যায়। সেই আচল ফুল ইমান সৌন্দৰ্যপূৰ্ণও নাথাকে যি সৌন্দৰ্য কাগজত বা কাপোৰত অকা ফুলৰ থাকে।

হে ভাই সকল ! আপোনালোকৰ আধ্যাত্মিক জীৱনত যি সন্মুখলৈ আহিছে তাৰ একমাত্ৰ কাৰণ হ'ল আপোনালোকে পৰমেশ্বৰৰ পৰা সম্পৰ্ক বিচ্ছিন্ন কৰি পেলাইছে। শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰৰ চাহাবৰ নিচিনা পৰৱৰ্তীত আগমনকাৰী লোক সকলেও যদি পৰমেশ্বৰৰ সৈতে সম্পৰ্ক স্থাপিত থাকিল হয় তেতিয়া এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হ'ব লগা নহ'ল হয়; আৰু পৱিত্ৰ মুনি-ঋষি সকলৰ বংশধৰ সকলে খোদা তায়লাৰ পৱিত্ৰ উচ্চ আসন পৰিত্যাগ কৰি মূৰ্তিৰ সন্মুখত নিজৰ মূৰ অবনত কৰাৰ অৱস্থা কেতিয়াও নহ'লহেঁতেন। কিমান পৰিতাপৰ বিষয়, খোদা তায়লা যাক চুম্বন কৰাৰ কাৰণে সৃষ্টি কৰিছিল আজি সেয়া এৰি হীনতৰ বস্তুৰ সন্মুখত অবনত হৈছে। এনেকুৱা কিয় হ'ল ? এই কাৰণেই যে আন কোনো উপায় নাছিল; নহয়,নহয়,এয়া হ'বই নোৱাৰে পৰমেশ্বৰ শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰৰ চাহাবৰ সন্তান-সন্ততি সকলক তথা সেৱক সকলক চিৰকালৰ বাবে ত্যাগ কৰিব পাৰে নে ? কেতিয়াও নহয়। সেইজনা হিন্দু সকলৰ উন্নতি আৰু সংস্কাৰৰ বাবে নিষ্কলঙ্ক অৱতাৰক প্ৰেৰণ কৰিছে। শ্ৰীকৃষ্ণ চাহাবৰ সূচনা অনুযায়ী তেখেত ঠিক নিৰ্দ্ধাৰিত সময়ত আৱিৰ্ভাৱ হৈছে। তেখেতে খোদা তায়লাৰ জীৱিত আৰু অকাট্য নিদৰ্শনসমূহৰ দ্বাৰা প্ৰমাণ কৰিছে যে খোদা তায়লা জীৱন্ত আৰু সৰ্বশক্তিমান। অৰ্থাৎ এই যুগত এনেকুৱা প্ৰত্যেক ব্যক্তি যিয়ে খোদা তায়লাৰ সন্তুষ্টি লভিব খোজে সি সেইজনাৰ সাহায্যত ঈশ্বৰৰ সান্নিধ্য লাভ কৰিব পাৰে আৰু প্ৰাচীন মুনি-ঋষি সকলে যি পুৰস্কাৰ লাভ কৰিছিল সেয়া লাভ কৰিব পাৰে। আমাৰ খোদা এনেকুৱা কৃপণ নহয় যে সেইজনাৰ কৃপা এজনক দান কৰিব আৰু অইনজনক তাৰ কৃপাৰ পৰা বঞ্চিত কৰিব, আৰু সেইজনাৰ ভাণ্ডাৰ কাৰো বাবে সীমাবদ্ধ নহয়

যে পূৰ্বৰ যুগত সেইজনাই যি সম্পদ প্ৰদান কৰিছিল আৰু এই যুগত সেয়া কৰিবলৈ অক্ষম।

এই কল্কি অৱতাৰ কাদিয়ান জিলা গুৰদাছপুৰত আৱিৰ্ভাৱ হৈছে। তেখেতৰ নাম হজৰত মিৰ্যা গোলাম আহমদ চাহাব। খোদা তায়লা তেখেতৰ সম্পৰ্কে হাজাৰ হাজাৰ নিদৰ্শন প্ৰদৰ্শন কৰিছে। তেখেতৰ শিক্ষাৰ দ্বাৰা আকৌ তেখেত (আঃ)য়ে পৃথিৱীত ন্যায় আৰু সুবিচাৰ পূৰ্ণ কৰিব খোজে। যিসকলে তেখেতৰ প্ৰতি বিশ্বাস স্থাপন কৰে, খোদা তায়লা সিহঁতৰ প্ৰতি ঐশ্বৰিক জ্যোতি অৰ্পন কৰে আৰু সিহঁতৰ প্ৰাৰ্থনা গৃহীত কৰে। সিহঁতৰ প্ৰাৰ্থনাৰ ফলত খোদা তায়লা মানুহৰ দুঃখ কষ্ট দূৰ কৰে আৰু সিহঁতক সন্মানিত কৰে। যদি কোনো প্ৰকাৰ সন্দেহৰ কাৰণ উপজে তেতিয়া এই বুলি প্ৰাৰ্থনা কৰক যে, হে পৰমেশ্বৰ ! যদি এই ব্যক্তি যিয়ে তোমাৰ প্ৰেৰিত আৰু কল্কি অৱতাৰ হোৱাৰ দাবী কৰিছে সত্য হয়, তেন্তে তেখেতৰ প্ৰতি বিশ্বাস অনাৰ বাবে আমাৰ হৃদয় উন্মুক্ত কৰি দিয়ক আৰু তেখেতক গ্ৰহণ কৰাৰ শক্তি দান কৰক।

এনেকুৱা প্ৰাৰ্থনাৰ ফলত আপোনালোকে দেখিব পাৰিব,পৰমেশ্বৰ তাৰ ঐশ্বৰিক নিদৰ্শনসমূহৰ দ্বাৰা কল্কি অৱতাৰৰ সত্যতাত দৃঢ় বিশ্বাস কৰাৰ শক্তি দান কৰিব; আৰু আপোনালোকে এই প্ৰতিশ্ৰুতি দিয়ক যে, সত্য বিকশিত হলে আপোনালোকে তেখেতৰ দাবীক সত্য বুলি গ্ৰহণ কৰিব আৰু আমাৰ সৃজনকৰ্তা প্ৰভুৰ সৈতে শান্তিৰ বন্ধন স্থাপন কৰিব। অৰ্থাৎ নিষ্ঠাৰ সৈতে মোৰ ওচৰলৈ আহঁক আৰু নিজৰ দুঃখ কষ্ট দূৰ কৰাৰ বাবে প্ৰাৰ্থনাৰ আবেদন কৰক। আল্লাহ তায়লা আপোনালোকৰ কষ্ট দূৰ কৰি দিব আৰু আপোনালোকৰ মনোবাঞ্ছা পূৰ্ণ কৰিব। কিন্তু সেয়া সেই অনুসৰি হ'ব যি অনুসৰি শ্ৰীকৃষ্ণ আৰু শ্ৰী ৰামচন্দ্ৰ চাহাবৰ সময়ত হৈছিল আৰু এই চৰ্ত থাকিব যে আপোনালোকে পাৰ্থিৱ জীৱনৰ প্ৰেম পৰিত্যাগ কৰি তেখেতৰ সৈতে সম্পৰ্ক স্থাপন কৰিব আৰু তেখেতৰ আহ্বান আপোনালোকৰ অন্যান্য

বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনলৈ পৌচাব; আৰু আল্লাহ্ তায়লাৰ বাবে প্ৰকৃত প্ৰেম আৰু ভালপোৱা জন্মাবৰ উদ্দেশ্যেত তেখেত (আঃ)য়ে যি উপায় নিৰ্ধাৰিত কৰিছে সেইবোৰ পালন কৰি পৰমেশ্বৰৰ প্ৰকৃত প্ৰেমিক আৰু একনিষ্ঠ সেৱক হ'ব।

আল্লাহ্ তায়লা আপোনালোকৰ মঙ্গল কৰক।

**মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ**
**খলিফাতুল মছীহ্ ছানি**
**বিশ্ব আহমদীয়া মুছলিম জামাত**